# পঞ্চম অধ্যায়

# ৫.০০ কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকবিশ্বাস আৰু লোকাচাৰৰ সাধাৰণ বৈশিষ্ট্য, পৰিৱৰ্তন আৰু প্ৰাসংগিকতা

**৫.০১ কোচ ৰাজবংশী জনগোষ্ঠীৰ লোকবিশ্বাস আৰু লোকাচাৰৰ সাধাৰণ বৈশিষ্ট্য ঃ**

**৫.০১.১. জন্ম সম্পৰ্কীয় লোকবিশ্বাসৰ সাধাৰণ বৈশিষ্ট্য ঃ**

কোচ ৰাজবংশী সমাজখনত নাৰী এগৰাকী গৰ্ভধাৰণ হোৱাৰ পৰা কেঁচুৱাটোৰ অন্নপ্ৰাশনলৈকে বিভিন্ন লোকবিশ্বাস পালন কৰে। লোকবিশ্বাসবোৰ পৰম্পৰাগতভাৱে সমাজখনত চলি আহিছে। গৰ্ভধাৰণৰ পৰা লোকবিশ্বাসবোৰ পালন কৰা হয় যাতে গৰ্ভত থকা সন্তানটোৰ একো অনিষ্ট নহয় আৰু মাতৃগৰাকী কুশলে সন্তান প্ৰসৱ কৰিব পাৰে।

গৰ্ভৱতীগৰাকীৰ লগতে হ'বলগীয়া পিতৃজনেও বহুতো নীতি-নিয়ম পালন কৰা দেখা যায়, ইয়াত বিশ্বাস (Taboo) জড়িত হৈ আছে। গৰ্ভাৱস্থাত কোনো জীৱ-জন্তু হত্যা কৰা নিষেধ। কাৰণ মাতৃ বা পিতৃগৰাকীয়ে জীৱহত্যা কৰিলে সন্তানটোৰ ক্ষতি হ'ব পাৰে।

গৰ্ভৱতীগৰাকীক কিছুমান নীতি-নিয়মৰ মাজত ৰখা হয়। ওজা বা কবিৰাজ গৰ্ভস্থ সন্তানৰ একো অনিষ্ট কৰিব নোৱাৰাকৈ জাপ বা তাবিছ দিয়া হয়। 'দেওভূত, অপদেৱতাই যাতে মাক আৰু সন্তানক অনিষ্ট কৰিব নোৱাৰে তাৰ বাবেগৰ্ভাৱস্থাৰ পৰা আৰম্ভ কৰি কেঁচুৱা ডাঙৰ নোহোৱালৈকে বিভিন্ন লোকবিশ্বাস আৰু ইয়াৰ লগত জড়িত লোকাচাৰ সমূহ পালন কৰা হয়। যেনে— লোৰ অস্ত্ৰ কাষত ৰখা, জুই ৰখা, সৰিয়হ ৰখা, ফটা জালৰ টুকুৰা ৰখা ইত্যাদি'।[1]

কেঁচুৱাটোক মুখ লগা, বেয়া হাৱা লগা আদিৰ পৰা ৰক্ষা কৰিবৰ বাবে জাপ লোৱা, পানীজৰা দিয়া, কপালত কাজলৰ ফোঁট দিয়াৰ পৰম্পৰা অতীজৰে পৰা চলি আহিছে। 'মাতৃগৰাকীয়ে যাতে ভাল ভাল খাই-বৈ সুস্থ-সবল কেঁচুৱাৰ জন্ম দিব পাৰে তাৰ বাবে পঞ্চামৃত সাধ, নৱমী ইত্যাদি পালন কৰা হৈ আহিছে'।[2]

গৰ্ভৱতীয়ে নদী পাৰ নোহোৱা, গৰু-ছাগলীৰ ৰছী পাৰ নোহোৱা এইবোৰ লোকবিশ্বাসৰ লগত নিৰ্দিষ্ট কিছুমান কাৰণো নথকা নহয়। নদী পাৰ হওঁতে বা জীৱ-জন্তু বন্ধা ৰছী পাৰ হওঁতে

অসাৱধানতাৰ ফলত আঘাতপ্ৰাপ্ত হ'ব পাৰে আৰু দুয়োজনৰে ক্ষতি হ'ব পাৰে। আগতে আধুনিক চিকিৎসা ব্যৱস্থা নাছিল সেয়ে প্ৰসৱ ধাইবুঢ়ীৰ জৰিয়তে কৰোৱা হৈছিল ইয়াতো নানা ধৰণৰ লোকবিশ্বাস জড়িত হৈ আছে আৰু ইয়াৰ অন্তৰালত বৈজ্ঞানিক দৃষ্টিভংগীও সোমাই আছে। গৰ্ভৱতীয়ে অখাদ্য খাদ্য খোৱা, কুৎসিৎ বস্তুৰ দৰ্শন নকৰা, কেঁচুৱাৰ নাড়ী সংৰক্ষণ এয়া বিশ্বজনীন লোকবিশ্বাস।

লোকবিশ্বাসসমূহৰ প্ৰচলন প্ৰায়বোৰ জনগোষ্ঠীৰ মাজতে দেখিবলৈ পোৱা যায় আৰু ইয়াৰে কিছুমানৰ মাজত আমি সাদৃশ্য বিচাৰি পাওঁ।

**৫.০১.২ জন্ম সম্পৰ্কীয় লোকাচাৰৰ সাধাৰণ বৈশিষ্ট্য ঃ**

কোচ ৰাজবংশী সমাজত জন্ম সম্পৰ্কীয় লোকাচাৰত বৈদিক আচাৰ আৰু দেশাচাৰ দুয়োটাই দেখিবলৈ পোৱা যায়। গৰ্ভধাৰণ কৰাৰ পিছত পঞ্চামৃত ভক্ষণ, সাধ ইত্যাদি লোকাচাৰসমূহ বৈদিক লোকাচাৰ আৰু ই স্ত্ৰী-লোকাচাৰো। 'কোচ ৰাজবংশী সমাজত ল'ৰা-ছোৱালীৰ মাজত ভেদাভেদ দেখিব পোৱা নাযায়।[3]

গৰ্ভধাৰণৰ পিছত গৰ্ভৱতীক বিভিন্ন নীতি-নিয়মৰ মাজেৰে চলিব দিয়া হয় যাতে সন্তানটোৰ একো অমঙ্গল নহয়। আৰু আঠ মাহমানলৈকে ঘৰুৱা কামবোৰ কৰিব দিয়ে। ঢেঁকী দিয়া, পানী অনা কাম-বনবোৰ কৰিলে প্ৰসৱত কষ্ট নাপায় বুলি লোকবিশ্বাস প্ৰচলন আছে। কাম কৰাৰ ক্ষেত্ৰতো কিছুমান বাধা-নিষেধ মানি চলা দেখা যায়।

আগতে প্ৰসৱ ঘৰতে হৈছিল। প্ৰসৱৰ কাৰণে নিৰ্দিষ্ট ছুৱাঘৰৰ ব্যৱস্থা আছিল। গাঁৱৰে অভিজ্ঞ ধাইমাকে প্ৰসৱ কৰাইছিল। চুৱা শেষ হোৱাৰ পিছত ধাইবুঢ়ী আৰু প্ৰসৱত সহায় কৰা অন্যান্যসকলক নিমন্ত্ৰণ দি এসাজ খুৱাই সাধ্য অনুসৰি বস্ত্ৰদান কৰিছিল। কোচ-ৰাজবংশী সমাজত 'কেঁচুৱাৰ জন্মৰ পিছত নাড়ী সৰাৰ পিছত এবাৰ আৰু মাহেকীয়া চুৱা কমোৱাৰ সময়ত এবাৰ মুঠতে দুবাৰ কেঁচুৱাটোৰ মূৰৰ চুলি খুৱাই দিয়া হয়'।[4] মাক আৰু কেঁচুৱাৰ বেমাৰত ঘৰুৱা কবিৰাজৰ পৰা ঔষধ, পানীজৰা, জাপ ইত্যাদি দিয়া হৈছিল।

আগতে নামকৰণৰ ক্ষেত্ৰত কোচ ৰাজবংশী লোকসকলে দিন-বাৰ, মাহ, সময়, তিথি এইবোৰৰ ভিত্তিত নামকৰণ কৰা হৈছিল। শিশুৱে যদি সময়ত খোজ নাকাঢ়ে, মাত নুফুতে, সময়ত

দাঁত নগাজিলে বিভিন্ন ধৰণৰ লোকাচাৰ পালন কৰা হয় আৰু এই লোকাচাৰবোৰ জনজাতীয় সমাজতো প্ৰচলন আছে।

কোচ ৰাজবংশী সমাজত জন্ম সম্পৰ্কীয় বহুতো লোকাচাৰ পালন কৰা দেখিবলৈ পোৱা যায়।

**৫.০১.৩. জন্ম সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰৰ পৰিৱৰ্তন ঃ**

সময়ৰ লগতে লোকবিশ্বাস আৰু লোকাচাৰৰো পৰিৱৰ্তন সাধিত হৈছে। আমি জনাকৈয়ে বা নজনাকৈয়ে এই পৰিৱৰ্তনবোৰ আমাৰ মাজলৈ আহি আছে। সংস্কৃতি তথা লোকসংস্কৃতিৰ পৰিৱৰ্তন সম্পৰ্কে জনৈক আলোচকে কৈছে— “Cultural change can be studied only as a part of the problem of cultural stability, cultural stability can be understood only when change is measured against conservatism.’[5] লোকসংস্কৃতিৰ পৰিৱৰ্তনত শিক্ষা, ধৰ্ম, নগৰীকৰণ, উদ্যোগীকৰণ বা যান্ত্ৰিককৰণ আদি কাৰকে সহায় কৰি আহিছে। বৰ্তমানত শিক্ষা ব্যৱস্থাই আমাৰ সমাজত চলি অহা ধাৰণা সমূহক নতুনকৈ চোৱাৰ চিন্তা যোগায় আহিছে।

গাঁৱে-গাঁৱে, নগৰে-চহৰে চিকিৎসালয়, স্বাস্থ্যকেন্দ্ৰ, আশাকৰ্মী নিয়োগ কৰাৰ ফলত জন্ম সম্পৰ্কীয় বহুতো লোকবিশ্বাস আৰু লোকাচাৰৰ পৰিৱৰ্তন হৈছে। এতিয়া গৰ্ভৱতীগৰাকীক চৰকাৰৰ ফালৰ পৰা বহুতো সুবিধা দিয়া হয়, গতিকে সকলোৱে চিকিৎসকৰ কাষ চাপে। আৰু চিকিৎসা বিজ্ঞানত অত্যাধুনিক যন্ত্ৰৰ সহায়ত প্ৰসৱ কৰোৱা হয়। বৰ্তমান গাঁৱত বিভিন্ন শিক্ষানষ্ঠান, চিকিৎসালয় সমূহ গঢ়ি উঠাৰ ফলত মানুহবোৰৰ মনত থকা অন্ধবিশ্বাসবোৰ ক্ৰমান্বয়ে কমি আহিব ধৰিছে।

যোগাযোগ ব্যৱস্থাত অভূতপূৰ্ব পৰিৱৰ্তন সাধন হৈছে। মোবাইল, টেলিভিচন, কম্পিউটাৰ, ইণ্টাৰনেট আদিয়ে মানুহৰ মানসিকতাৰ পৰিৱৰ্তন আনিছে। নগৰীকৰণ, উদ্যোগীকৰণে মানুহক চহৰমুখী কৰি তুলিছে। সমাজৰ এনে পৰিৱৰ্তনে প্ৰতিটো জাতি-জনগোষ্ঠীক স্পৰ্শ কৰি গৈছে। বৰ্তমান সময়ত ধৰ্মও পৰম্পৰাবোৰৰ পৰিৱৰ্তন সাধন কৰিছে। সমাজত প্ৰচলিত বহুতো লোকবিশ্বাস আৰু লোকাচাৰৰ জন্ম হয় ধৰ্মৰ ভিত্তিতেই আৰু ধৰ্মৰ পৰিৱৰ্তনৰ ফলত লোকবিশ্বাস আৰু লোকাচাৰৰ পৰিৱৰ্তন হয়। বৰ্তমান সময়ত পৰম্পৰাবোৰৰ পৰিৱৰ্তনৰ উপৰোক্ত কাৰকসমূহে

ক্ৰিয়া কৰি আহিছে। চিকিৎসা বিজ্ঞানৰ অগ্ৰগতিৰ ফলত ঘৰত বহিয়েই মহিলাসকলে গৰ্ভৱতী হয়নে নহয় জানিব পাৰে। আগতে গৰ্ভৱতী হোৱা বোৱাৰীগৰাকীয়ে ঘৰ তথা সামাজিক ভাৱে কিছুমান বান্ধোন তথা নীতি-নিয়মৰ মাজত চলিব লাগিছিল। এতিয়া গৰ্ভধাৰণ হোৱাৰ পিছত স্থানীয় আশাকৰ্মীৰ সহযোগত স্থানীয় চিকিৎসালয়ত নাম পঞ্জীয়ন কৰিব লাগে আৰু মাক-সন্তানৰ স্বাস্থ্যৰ বাবে বিভিন্ন বেজি, ঔষধ, আইৰণ টেবলেট, ভিটামিন ঔষধ আদি বিনামূলীয়া যোগান ধৰা হয়। যাৰ বাবে এতিয়া কেঁচুৱাৰ মৃত্যুৰ হাৰ বহুত কম। চিকিৎসকলৰ নিয়ম মানি চলাৰ বাবে বহুতো লোকবিশ্বাস আৰু লোকাচাৰ ক্ৰমান্বয়ে কমি আহিছে।

আগতে সন্তান জন্ম হৈ বাৰ বাৰ মৃত্যুমুখত পৰিলে আপচুনাম, সন্তানক বেলেগৰ ওচৰত বিক্ৰী কৰি দিয়া হৈছিল। বৰ্তমানে এইবোৰ নিয়ম দেখিবলৈ পোৱা নাযায়। চিকিৎসা বিজ্ঞানৰ অগ্ৰগতিয়ে ইয়াৰ মূল কাৰণ। আগতে ধাইমাকে গাঁওতে প্ৰসৱ কৰাইছিল। এতিয়া সকলোৱে চিকিৎসালয়ত লৈ যায়। চিকিৎসালয়ৰ অত্যাধুনিক যন্ত্ৰ পাতিয়ে প্ৰসৱ কৰাত সহায় কৰে। এতিয়া চিকিৎসালয়ত বিনামূলীয়া তেজ পৰীক্ষা, এক্সৰে, চনোগ্ৰাফী ইত্যাদি কৰোৱা হয়। সেইবাবে এতিয়া সকলো গৰ্ভৱতীয়ে চিকিৎসালয়ত গৈ প্ৰসৱ কৰায়।

চিকিৎসালয়ত প্ৰসৱ হোৱা বাবে ফুল (Placanta) পুতি থোৱা নিয়ম, কেঁচুৱাৰ নাড়ী কটা নিয়ম, বেৰত কোবোৱা নিয়ম, উৰুলি দিয়া নিয়মবোৰ নোহোৱা হৈ গৈছে। লগতে জন্মৰ পিছত কুলাত কেঁচুৱাক শুৱাই ৰখা নিয়মো নোহোৱা হৈছে। অস্ত্ৰোপ্ৰচাৰৰ সহায়ত প্ৰসৱ হ'লে চাৰি-পাঁচদিন চিকিৎসালয়তে থাকিব লগা হোৱা বাবে জুইৰ সেক দিয়া, তুহঁ জুই জ্বলোৱা নিয়মবোৰ এতিয়া দেখিবলৈ পোৱা নাযায়।

গৰ্ভধাৰণৰ পিছত নদী পাৰ নোহোৱা, গছৰ তলেদি যোৱা নিয়মবোৰ এতিয়া প্ৰায় দেখিবলৈ পোৱা নাযায়। এতিয়া প্ৰতিখন নদীৰ ওপৰতে দলং নিৰ্মাণ হৈছে। যোগাযোগ ব্যৱস্থা সূচল হৈছে। গৰ্ভধাৰণৰ পিছত ভূত-প্ৰেত, হাবি-জঙ্গল সম্পৰ্কীয় লোকবিশ্বাসবোৰ নোহোৱা হোৱাৰ দৰেই। এতিয়া হাবি জঙ্গল প্ৰায় নোহোৱাৰ দৰেই, চাৰিওফালে মানুহে মানুহ, শিক্ষা ব্যৱস্থা আৰু চিকিৎসাবিজ্ঞানৰ অগ্ৰগতিয়ে এইলোক বিশ্বাসবোৰৰ বিলুপ্তি ঘটাইছে। আগতে প্ৰসৱ বেদনা উঠিলে ঘৰৰ বান্ধ দিয়া গাঁঠি খুলি দিয়া হৈছিল, এতিয়া টিনৰ ঘৰ, ইটাৰ ঘৰ বাবে এই নিয়মৰ পৰিৱৰ্তন হৈছে আৰু এতিয়া চিকিৎসালয়তহে প্ৰসৱ কৰোৱা হয়।

কেঁচুৱাৰ মাত সময়ত নুফুটিলে, দাঁত নগজিলে, খোজ নকঢ়া হ'লে এতিয়া চিকিৎসকৰ সহায় লোৱা হয়। এতিয়া পোৱাতীৰ গাখীৰ বৃদ্ধিৰ বাবে চিকিৎসকলৰ পৰামৰ্শমতে ঔষধ গ্ৰহণ কৰে। সেইবাবে ইয়াৰ লগত জড়িত লোকবিশ্বাস আৰু লোকাচাৰৰ পৰিৱৰ্তন হৈছে।

বৰ্তমানে জন্মৰ পিছতে পঞ্জিকা চাই ৰাশি অনুসৰি নামকৰণ কৰে। আগৰদৰে এতিয়া নামকৰণত দেৰি নকৰাৰ অন্যতম কাৰণ হ'ল জন্মৰ প্ৰমাণ পত্ৰৰ বাবে। জন্মৰ প্ৰমাণপত্ৰৰ বাবে চিকিৎসালয়তে নামৰখা হয়। আগৰদৰে অন্নপ্ৰাশনত নাম ৰখাৰ প্ৰথাও এতিয়া দেখিবলৈ পোৱা নাযায়। বৰ্তমানে বহুতে আৰ্থিক কাৰণত মন্দিৰত অন্নপ্ৰাশন দিয়ে।

আগতে জন্মৰ ছয়দিন বা সাতদিন পিছত এবাৰ আৰু মাহেকীয়া শুচিৰ সময়ত এবাৰ মুঠ দুবাৰ চুলি খুৰাই দিয়া হৈছিল, এতিয়া বহুতে চূড়াকৰণ কৰে বাবে জন্মৰ চুলি নুখুৰাই আৰু কিছুমান চূড়াকৰণ নকৰিলেও তিনি-চাৰি বছৰ পিছত চুলি খুৰাই দিয়ে।

এতিয়া ধনী-দুখীয়াই পালন কৰা অন্যতম উৎসৱ হ'ল জন্মদিন পতা বা বাৰ্থডে পতা। জন্মদিনৰ দিনা কেক কাটি, মম নুমাই বেলুন ফুলাই জন্মদিন উদ্‌যাপন কৰে। এয়া এক নতুন ধাৰা বুলি ক'ব পাৰি। গোলকীকৰণৰ ফলত বহুতেই এই প্ৰাচীন লোকবিশ্বাস আৰু লোকাচাৰসমূহ ধৰি ৰাখিবলৈ আগ্ৰহী নহয়। সময়ো ইয়াৰ অন্যতম মুখ্য কাৰণ।

**৫.০২.১. বিবাহ সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰৰ সাধাৰণ বৈশিষ্ট্য ঃ**

কোচ ৰাজবংশী সমাজত কইনা চাব যোৱাৰ পৰা আৰম্ভ কৰি বিয়া শেষ হৈ অষ্টমংগললৈকে লোকবিশ্বাস আৰু লোকাচাৰসমূহ পালন কৰা হয়। যাত্ৰাকালত দেখা জীৱ-জন্তু, মানুহৰ কাম, ছোৱালীৰ শাৰীৰিক গঠন আদি বিশ্বাসসমূহৰ ওপৰত নিৰ্ভৰ কৰা হৈছিল। আজিকালি যাত্ৰাকালীন লোকবিশ্বাসবোৰ প্ৰায় হেৰাই যোৱাৰ উপক্ৰম হৈছে। সুচল যোগাযোগ ব্যৱস্থা, শিক্ষাৰ সম্প্ৰসাৰণেই ইয়াৰ মুখ্য কাৰণ। আগতে ছোৱালীৰ দাঁত, চুলি, খোজ ইত্যাদি বৰকৈ বিচাৰ কৰিছিল। এতিয়া দাঁতৰ সমস্যা ডাক্তৰেই সমাধান কৰে চুলিৰ ক্ষেত্ৰত আগৰ নিয়মবোৰ মুঠেই নাখাটে, আজিকালি বিউটি পাৰ্লাৰত গৈ চুলি চিধা কৰে। খোজ-মাত-কথা এইবোৰ বৰকৈ বিচাৰ কৰা নহয়।

সমাজখনক বাদ দি কোচ ৰাজবংশীসকলে একো কথা ভাবিবই নোৱাৰে। প্ৰতিটো ক্ষেত্ৰতে সমাজৰ সহায়-সহযোগিতা বিচৰা হয়। বিয়াৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম নহয়। ল'ৰা-ছোৱালীৰ

দেখাদেখিৰ পৰা আৰম্ভ কৰি বিয়া শেষ হোৱাৰ পিছতো অষ্টমংগললৈকে প্ৰতিটো কাজতেই সমাজখন জড়িত থাকে। এতিয়াও গাঁওবিলাকত বিয়াৰ সকলো কৰ্ম সমাজখনে গাত পাতি লয়। ৰন্ধা-বঢ়া, বিলোৱা আদি কামবোৰ সমাজৰ লোকসকলেই কৰে।

কোচ ৰাজবংশী বিয়াত তামোল-পাণ অন্যতম সন্মানৰ প্ৰতীক। প্ৰতিটো ক্ষেত্ৰতেই তামোল-পাণ লাগে। বিয়াৰ নিমন্ত্ৰণ দিয়াৰ পৰা প্ৰতিটো বৈদিক আচাৰ আৰু লোকাচাৰত তামোল-পাণৰ ব্যৱহাৰ দেখা যায়। কোচ-ৰাজবংশী সমাজত পাণ ছিঙি বিবাহ-বিচ্ছেদ হোৱাৰ পৰম্পৰা এটা সময়ত আছিল।

কোচ ৰাজবংশী সমাজত দৰা-কইনাৰ বৰ্ণ, গোত্ৰ, বংশ ইত্যাদিৰ ওপৰত গুৰুত্ব দিয়া হয়।

বিয়াখন সুকলমে হোৱাৰ বাবে আৰু যুগ্মজীৱন সুখৰ হোৱাৰ বাবে বিভিন্ন পূজা-পাতল কৰা হয়, যেনে— সুবচনী পূজা, মনসা বা বিষহৰি, কুশণ্ডি পূজা, হৰগৌৰী পূজা কৰা হয়।

**৫.০২.২. বিবাহ সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰৰ পৰিৱৰ্তন ঃ**

বৰ্তমান সময়ত বিবাহ সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰসমূহৰ আটাইতকৈ বেছি পৰিৱৰ্তন হৈছে। প্ৰাচীন কোচ ৰাজবংশী সমাজত প্ৰচলিত বিবাহ ব্যৱস্থাবোৰৰ ভিতৰত প্ৰায়ভাগেই এতিয়া বিলুপ্ত হোৱাৰ পথত। ফুল বিয়া বা প্ৰাজাপত্য বিয়াৰ প্ৰচলন সৰ্বাধিক।

প্ৰেম বিবাহৰ ক্ষেত্ৰত নিয়মবোৰ শিথিল হৈছে। আগৰদৰে জাত-পাত, ধৰ্ম, গোষ্ঠী এইবোৰ ব্যৱস্থাত পৰিৱৰ্তন দেখিবলৈ পোৱা যায়। অন্য গোষ্ঠীৰ লগত বিয়াৰ ক্ষেত্ৰত সমাজখন আগৰদৰে কঠোৰ নহয়।

কইনা চাব যোৱাৰ সময়ত যাত্ৰাকালীন ভাল-মন্দৰ (বেয়া) বিচাৰ আছে যদিও এতিয়া এইবোৰ আগৰদৰে মানি চলা নহয়। ইয়াৰ মুখ্য কাৰণ শিক্ষাৰ অগ্ৰগতি আৰু বৈজ্ঞানিক মানসিকতা। অতীতত কোচ ৰাজবংশী সমাজত দৰাঘৰে কইনাক পোন দি বিয়া কৰাই আনিছিল। কিন্তু এতিয়া কইনাঘৰেহে দৰাক যৌতুক দিবলগীয়া হয়। এই যৌতুকৰ ভিতৰত টকা-মটৰ চাইকেল, সোণৰ বস্তু আদিয়েই প্ৰধান।

আগতে বিয়াৰ কেইদিনমান আগতে আখা তোলা বা আখা পাকা অনুষ্ঠান কৰিছিল য'ত বৈৰাতীয়ে বিয়াৰ ভাত ৰান্ধিবৰ বাবে চৌকা বনোৱা হৈছিল। আজিকালি ৰন্ধন গেছেৰে ৰন্ধা হয়

বাবে এই অনুষ্ঠানটো হেৰাই যাব ধৰিছে। বিয়াঘৰত কাম-বন কৰিবলৈ আত্মীয় মহিলা কেইজনমানক মাতি আনিছিল যাক পৰঘৰী অনা বুলিছিল। এতিয়া এই নিয়মবোৰ নোহোৱা হৈ গৈছে। আগতে বিয়াৰ ৰভা মণ্ডপ গাঁওবাসীয়ে সাজি দিছিল আজিকালি সকলোৱে টেণ্ট হাউছক ৰভা, মণ্ডপ সাজিব মাতে। টেণ্ট হাউচে অত্যাধুনিক ৰভা সজাই দিয়ে আৰু আজিকালি বিয়াৰ মণ্ডপবোৰ বিজুলী বাতিৰে জকমকাই থাকে।

বিয়াৰ লগত জড়িত পূজা-পাৰ্বণবোৰ আজিও সমাজত প্ৰচলন আছে। আগতে বিয়াৰ অধিবাসৰ দিনাই জলবৰণ, অধিকাৰী সেৱা ইত্যাদি দিয়া হৈছিল। আজিকালি বিয়াৰ দিনতেই কৰা হয়। সময়ৰ অভাৱ আৰু টকা-পইচাৰ কথাও এই পৰিৱৰ্তনৰ কাৰণ। আগতে বিয়াবোৰত বাজনা বুলি কৰ্কা, ভূইমালি বজোৱা হৈছিল। আজিকালি অত্যাধুনিক বেণ্ডপাৰ্টিক নিমন্ত্ৰণ দিয়া হয়। এতিয়া আমাৰ মাজৰ পৰা থলুৱা বাজনা দলবোৰ নোহোৱা হৈ গৈছে। অতীতত বিয়াবোৰত দৰাই গৰুগাড়ী বা মহৰ গাড়ীত আহিছিল। ওচৰতে হ'লে খোজকাঢ়ি আহিছিল এতিয়া ওচৰতে হওক বা দুৰতেই হওক সকলোৱে গাড়ীলৈ কইনা ঘৰলৈ আহে।

বৌভাত বা পাক পৰশত ভালেমান পৰিৱৰ্তন আমি দেখিবলৈ পাওঁ। এতিয়া জাকজমকতাই প্ৰধান। কোনে কিমান দেখুৱাব পাৰে, কোনে কিমান খুৱাব পাৰে। ৰভাৰ জাকজমকতা, মণ্ডপ, ডি. জেৰ উগ্ৰগানে প্ৰাধান্য লাভ কৰে। আগতে গাঁৱৰ ৰাইজেই ৰন্ধা-বঢ়া, বিলোৱা কামবোৰ কৰিছিল। এতিয়া বেলেগৰ পৰা ৰান্ধনি অনা হয়, খাদ্য বিলোৱাৰ বাবে কেটাৰিংক মতা হয়। বিবাহৰ ক্ষেত্ৰত এয়া এক উল্লেখযোগ্য পৰিৱৰ্তন।

অতীতত কোচ ৰাজবংশী সমাজত বিয়া কইনাৰ ঘৰতেই হৈছিল। ছোৱালীঘৰ দুখীয়া হ'লেও ৰাইজৰ সহযোগত বিয়া পাতিছিল। এতিয়া মন্দিৰ আৰু আদালতত বহুতে বিয়া পাতে। মন্দিৰত বিয়া পাতিলে খৰচ কম হয়। আদালতত বহুতে পঞ্জীয়ন কৰি পিছত সময় সুবিধা অনুসৰি মন্দিৰত বা ঘৰত বিয়া পাতে। মন্দিৰত বিয়া পাতিলেও পিছত ৰাইজক ভোজ বা বৌভাত দিয়া হয়।' [6]

আজিকালি ঠাইৰ অভাৱৰ বাবে বহুতে বিবাহ ভৱনতেই বিয়া অনুষ্ঠিত কৰে। ভৱনবোৰত বহুতো সুবিধা আছে। ভৱনত থকা-খোৱা, বিশ্ৰামঘৰ, ৰন্ধা-বঢ়া কৰা মানুহ, বিলোৱা মানুহ, মণ্ডপ সজোৱা ইত্যাদি সকলো সুবিধা আছে। অকল টকা দিলেই হ'ল। ছোৱালী ঘৰহে বিবাহভৱনত ঠিক কৰে আৰু দৰাই তাতে গৈ বিয়া কৰায়।

বিবাহত এতিয়া খাদ্যাভাষৰ পৰিৰৰ্তন হৈছে। এতিয়া বিবাহবোৰত সাধ্যানুসৰি মাছ-মাংস, ফ্ৰাইড ৰাইচ, দৈ-মিঠাইৰ উপৰিও বিয়াঘৰত ফুচকা-কফি-চাহৰ ব্যৱস্থাও থাকে। নিমন্ত্ৰিত অতিথিসকলক চাহ আৰু মিঠাইৰ পেকেট দিয়া দেখা যায়। কোচ ৰাজবংশী বিয়াত এতিয়াও দৈ-চিৰাৰ প্ৰচলন আছে। গ্ৰামাঞ্চলত ৰাতিপুৱা ৰাইজক দৈ-চিৰাৰে আপ্যায়ন কৰা হয়। ইয়াক 'ফালাহাৰ' বোলা হয়।[7]

বিবাহৰ ক্ষেত্ৰত সাজপাৰৰ পৰিৰৰ্তন দেখিবলৈ পোৱা যায়। অতীতত কোচ ৰাজবংশী সমাজত দৰাই আংচা, ধূতি, মূৰত ফালি পাগুৰি পিন্ধিছিল। কইনাই পঞ্চৰঙী পাটানী পিন্ধি বিয়াত বহিছিল। গলত দোপাটী মেৰিয়াই লৈছিল। কইনাই অলংকাৰৰ ভিতৰত গলত-হাসা পেওচি, চন্দ্ৰহাৰ, বেচাহাৰ, কাণত পিন্ধিছিল ঝিজিৰি টানা, ফুলকৰি, অন্তি, বালি আদি নাকত পিন্ধিছিল নোত, নাকফুল নলো আদি হাতত পিন্ধিছিল খাৰু, মুঠাখাৰু আদি, আঙুলিত আঙুঠি পিন্ধিছিল, কইনাই মূৰত সীতাপাটি পিন্ধিছিল। এতিয়া দৰাই ধূতি পাঞ্জাৰী, কইনাই পাটানী, শাড়ী, মেখেলা চাদৰ পিন্ধে। উল্লিখিত অলংকাৰবোৰৰ নামহে মাত্ৰ পোৱা যায়। সোণাৰীৰ দোকানত বিভিন্ন নতুন নতুন ধৰণৰ (ডিজাইনৰ) অলংকাৰ কইনাক দিয়া হয়। গ্ৰামাঞ্চলত এতিয়া নাকফুলিৰ ব্যৱহাৰ আছে 'নাকফুলি নাথাকিলে জ্যেষ্ঠজনে কইনাৰ হাতত পানী এগিলাছো গ্ৰহণ নকৰে'।[8]

দৰাই আজিকালি পাগুৰি মৰা খুবেই কম দেখা যায় তাৰ ঠাই লৈছে কুহিলাৰ মুকুট। আৰু কইনাই মুৰালী পিন্ধে।

আগতে ল'ৰাৰ মাক-দেউতাই ছোৱালী পচন্দ কৰিছিল। তেওঁলোকৰ সিদ্ধান্তই চূড়ান্ত আছিল। আজিকালি ল'ৰা-ছোৱালীৰ মতামতক উপেক্ষা কৰা নহয়। কোচ ৰাজবংশী সমাজত আগতে বিয়াৰ ক্ষেত্ৰত যিমান যি ভাৰ লৈ গৈছিল তাতে দৈ-চিৰা, কল আদিয়েই প্ৰধান আছিল, আজিকালি বিস্কুট-মিঠাই লৈ যোৱা দেখিবলৈ পোৱা যায়। কোচ ৰাজবংশী সমাজত মিতৰ ধৰা প্ৰথাটো লাহে লাহে কমি আহিছে। আজিকালি বেছিভাগ বিয়াতেই মিতৰ ধৰা দেখা নাযায়।

বিয়ানাম বা বিয়াগীতৰ প্ৰচলন লাহে লাহে কমি আহিছে। কিছু অঞ্চলত নামাতি গানৰ প্ৰচলন এতিয়াও আছে। এসময়ত বিয়াগীতেৰে ৰভাতলী ৰজনজনাই আছিল, আজিকালি বিয়া গীতৰ ঠাই ল'লৈ মিউজিক ছিষ্টেমে। এতিয়া বিয়াতলীবোৰত আধুনিক হিন্দী গীতবোৰেহে শুনিবলৈ পোৱা যায়।

### ৫.০২.৩. বিবাহ বিচ্ছেদ ঃ

বিবাহ যেনেদৰে দুয়োজনৰ মিলন সেইদৰে কেতিয়াবা বিচ্ছেদ নোহোৱাকৈয়ো নাথাকে। বিবাহ বিচ্ছেদৰ কাৰণসমূহ আগতে উল্লেখ কৰা হৈছে। অতীতত কোচ ৰাজবংশী সমাজত বিবাহ বিচ্ছেদ কৰিবলগীয়া থাকিলে ৰাইজমেল পাতি ৰাইজৰ সিদ্ধান্তমৰ্মে বিবাহ বিচ্ছেদ হৈছিল। আজিকালি বিবাহ বিচ্ছেদৰ বাবে আদালতৰ কাষ চাপে। আদালতেহে এতিয়া বিবাহ বিচ্ছেদৰ ৰায় প্ৰদান কৰে।

### ৫.০৩ মৃত্যু সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰৰ সাধাৰণ বৈশিষ্ট্য ঃ

মানুহ মাত্ৰেই মৰণশীল। মৃত্যুক কেতিয়াও ৰোধ কৰিব পৰা নাযায়। আগতে কোচ ৰাজবংশী সমাজত মৃত্যুক কেন্দ্ৰ কৰি নানা লোকবিশ্বাসৰ প্ৰচলন আছিল। ফেঁচা, শগুন চৰাই ঘৰত পৰিলে, সপোনত দাঁত সৰা দেখিলে কাৰোবাৰ মৃত্যু হ'ব পাৰে। মৃত্যু যন্ত্ৰণাত চটফটাই থকাজনক গঙ্গাজল, সোণ-ৰূপৰ পানী খুৱাই দিয়া হয়। অধিকাৰীৰ দ্বাৰা গুৰুসেৱা দিয়া হয়। মৃত্যুৰ পিছত মুখত গঙ্গাজল, গাত মাহ-হালধি সানি দিয়া হয়। মৃত্যুৰ পিছত আত্মাৰ বিশ্বাস কোচ ৰাজবংশী লোকসমাজত আছে। অপমৃত্যু হোৱা আত্মাবোৰে মুক্তি লাভ নকৰে বুলি বিশ্বাস কৰা হয়।

শ্মশানত দাহ কৰাৰ পিছত যদি খৰি বেছি হয় তেতিয়া হ'লে মৃতকৰ আয়ুস আৰু আছিল বুলি ভবা হয়। মৃতকে পৰৱৰ্তী জন্ম কি ল'ব তাৰো প্ৰমাণ চাবৰ বাবে চাউলৰ গুৰি দি কুলাৰে ঢাকি থোৱা হয়। পিছৰ জন্মত তেওঁ কোনোবা জীৱ-জন্তু, চৰাই ইত্যাদি ৰূপে জন্ম লাভ কৰে বুলি বিশ্বাস কৰা হয়।

শ্মশানত মৃতকৰ আত্মাৰ উদ্দেশ্যে কৰি হবিস বনাই দিয়া হয়। হবিসত মাছ দিয়া হয়। চিতাৰ মাটিখিনি মূল্য দি কিনি লোৱা হয়। মৃতকে ব্যৱহাৰ কৰা লেপ তুলি, কাপোৰ ইত্যাদি শ্মশানত পেলাই দিয়া হয়। শ্ৰাদ্ধত ব্ৰাহ্মণ আৰু অধিকাৰী দুয়োজনৰ দ্বাৰা শ্ৰাদ্ধবিধি কৰা হয়। শ্ৰাদ্ধত বহুতো দান-দক্ষিণা দিব লগা হয়। অন্যান্যসকলৰ দৰেই গৰুৰ নেজত ধৰি বৈতৰণী পাৰ হ'ব লাগে।

কোচ ৰাজবংশী সমাজত সৰ্পদংশনত মৃত্যু হোৱা, বজ্ৰপাতত মৃত্যু হোৱা, বসন্ত ৰোগত মৃত্যু হোৱাসকলক দাহ কৰা নহৈছিল। গঙ্গাত অস্থিক্ষেপন নকৰিলে আত্মাই শান্তি নাপায় বুলি

লোকবিশ্বাস আগৰে পৰাই চলি আহিছে আৰু গয়াত পিণ্ডদান দিয়া হয়। কাম ধৰাজনে শ্ৰাদ্ধ নোযোৱালৈকে হবিস কৰিব লাগে। কঠোৰ নিয়ম মানি চলিব লাগে। উচ্চ আসনত বহা, নিষেধ, গা ধুই গাতে কাপোৰখন শুকাব লাগে। সূৰ্যাস্তৰ আগত এবেলা হবিস কৰিব লাগে।

কোচ ৰাজবংশী লোকবিশ্বাস আৰু লোকাচাৰত বৈদিক আচাৰ আৰু লোকাচাৰৰ মিশ্ৰণ দেখিবলৈ পোৱা যায়। কোচ ৰাজবংশীসকলে দহদিনত দহা, এঘাৰ দিনত শুইন, বাৰ দিনত খেউৰ আৰু তেৰদিনত শ্ৰাদ্ধ পাতে।

**৫.০৩.১. মৃত্যু সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰ পৰিৱৰ্তন ঃ**

বৰ্তমানে কোচ ৰাজবংশী সমাজত মৃত্যু সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰৰ বহুতো পৰিৱৰ্তন সাধন হৈছে। সপোনৰ লগত জড়িত লোকবিশ্বাসবোৰ লাহে লাহে কমি আহিছে। এতিয়া চিকিৎসাবিজ্ঞানৰ সহায়ত মুমুৰ্ষ ৰোগীজনকো জীয়াই তুলিবৰ যত্ন কৰা হয়। আগতে যি ঘৰত মানুহ মৰিছিল সেইঘৰটো পুৰি পেলোৱা হৈছিল। কিন্তু এতিয়া ঘৰবোৰ পকী হ'ল, টিনৰ হ'ল গতিকে কোনেও ঘৰবোৰ পুৰি নেপেলায়। এই প্ৰথা সম্পূৰ্ণৰূপে নোহোৱাৰ দৰেই। আগতে কাম ধৰাজনে তিনিদিনলৈকে একো মুখত দিব নোৱাৰিছিল। আনকি পানী এটুপিও পিব নোৱাৰিছিল। আজিকালি এই নিয়মবোৰ শিথিল হৈছে। আগতে বসন্ত হৈ মৃত্যু হোৱা, বজ্ৰপাতত মৃত্যু হোৱা, আত্মহত্যা কৰা, সৰ্পদংশনত মৃত্যু হোৱা লোকক দাহ কৰা নহৈছিল। আজিকালি এইবোৰ হৈ মৃত্যু হ'লে দাহ কৰা হয় আৰু চাৰিদিনত শ্ৰাদ্ধ কৰা হয়। আগতে মৃতদেহ শ্মশানত লৈ যোৱাৰ সময়ত শ্মশানচালীয়া বা মৰাফেলা গান গোৱা হৈছিল। বৰ্তমান এই গীতবোৰ ক্ৰমান্বয়ে হেৰাই যোৱাৰ উপক্ৰম হৈছে। নৱপ্ৰজন্মৰ অনিচ্ছাই ইয়াৰ মূল কাৰণ। আগতে নিজৰ মাটিত বা নদীৰ পাৰত শৱদাহ কৰা হৈছিল। আজিকালি স্থায়ী শ্মশান গঢ়ি উঠিছে। এতিয়া স্থায়ী শ্মশানবোৰতে দাহ কৰা হয়। কিছুমানে এতিয়াও নিজৰ মাটিতে দাহ কৰে। বৰ্তমানে ভূত-প্ৰেতৰ বিশ্বাসবোৰ ক্ৰমান্বয়ে কমি আহিছে।

আদ্যশ্ৰাদ্ধ আৰু মৎস্যমুখি এদিনতে কৰা দেখা যায়। নহ'লে আদ্যশ্ৰাদ্ধৰ পিছদিনা সপিণ্ডন দিয়াৰ পিছতহে মৎস্যমুখি কৰা নিয়ম। বৰ্তমানে আৰ্থিকভাৱে দুৰ্বল লোকসকলে দুইদিন মানুহক নিমন্ত্ৰণ দি খুওৱাৰ সামৰ্থ্য নাই, সেয়েহে এদিনতে কাজ-কৰ্মখিনি কৰে।

বৰ্তমানে মৃত্যু সম্পৰ্কীয় লোকবিশ্বাস আৰু লোকাচাৰৰ পৰিৱৰ্তন আহিছে যদিও গ্ৰামাঞ্চলত পূৰণি নীতি-নিয়মকে ধৰি ৰাখিবলৈ যত্ন কৰি আহিছে। বৰ্তমান সময়ত লোকাচাৰ আৰু লোকবিশ্বাসৰ পৰিৱৰ্তনত প্ৰধান ভূমিকা গ্ৰহণ কৰিছে শিক্ষা ব্যৱস্থাই। শিক্ষাৰ অগ্ৰগতি, বৈজ্ঞানিক মনোভাৱ, চিকিৎসা বিজ্ঞানৰ প্ৰগতি আদিয়ে সমাজখনৰ পৰা অন্ধবিশ্বাস কু-সংস্কাৰবোৰ আতৰাই দিছে।

**৫.০৩.২ প্ৰাসংগিতা ঃ**

কোচ ৰাজবংশী সমাজত জন্ম-বিবাহ আৰু মৃত্যুৰ লগত জড়িত লোকবিশ্বাস আৰু লোকাচাৰৰ বহুতো পৰিৱৰ্তন সাধন হৈছে। জন্মৰ ক্ষেত্ৰতেই সৰ্বাধিক পৰিৱৰ্তন আহিছে। এতিয়া গৰ্ভৱতী হোৱাৰে পৰা প্ৰসৱ হোৱালৈকে ডাক্তৰৰ তত্ত্বাৱধানত থাকিবলগীয়া হয়।

প্ৰতিষেধক বেজী, এক্সৰে, চনোগ্ৰাফী, আল্ট্ৰাচাউণ্ড আদি বিনামূলীয়াভাৱে কৰোৱা হয়। চিকিৎসালয়ত কেঁচুৱা জন্ম লাভ কৰা বাবে জন্ম সম্পৰ্কীয় লোকাচাৰ আৰু লোকবিশ্বাসৰ পৰিৱৰ্তন হৈছে।

সময়ৰ লগে লগে প্ৰতিটো বস্তুৰে পৰিৱৰ্তন হয়। তাৰ মাজতে স্বকীয় ৰূপটো ধৰি ৰাখিবলৈ যত্নপৰ হ'ব লাগিব। বৰ্তমানে বিশ্বায়ন আৰু নগৰীয়া সভ্যতাৰ আগ্ৰাসনতো প্ৰাচীন পৰম্পৰা সমূহক অপৰিৱৰ্তিত ৰূপতেই টিকি থকাটো প্ৰতিজন নাগৰিকে বিচাৰে।

**পাদটীকা**

1¼ সংবাদদাতা ঃ বাবুলাল ৰায়, (70], কুণ্ঠাইবাৰী, কোকৰাঝাৰ।

2¼ সংবাদদাত্ৰী ঃ ৰাজোবালা ৰায়, (50], কলাইগাঁও, কোকৰাঝাৰ।

3¼ সংবাদদাতা ঃ দয়াল ৰায়, (70], গঙ্গাজাফলং, কোকৰাঝাৰ।

4¼ সংবাদদাতা ঃ কামাখ্যা অধিকাৰী, (55], টুনীয়াডাঙ্গা, কোকৰাঝাৰ।

5¼ নবীন চন্দ্ৰ শৰ্মা ঃ অসমৰ লোক-সংস্কৃতিৰ আভাষ, পৃ. 10¼

6¼ সংবাদদাতা ঃ বাবুলাল ৰায়, (70], কুণ্ঠাইবাৰী, কোকৰাঝাৰ।

7¼ সংবাদদাতা ঃ ৰত্নেশ্বৰ ৰায়, (56], দেবৰ গাঁও, কোকৰাঝাৰ।

8¼ সংবাদদাত্ৰী ঃ ৰেণুবালা ৰায় (60], বনৰগাঁও, কোকৰাঝাৰ।